# Meeting between External Affairs Minister and Foreign Minister of Portugal

October 14, 2020

---

# ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী আৰু পৰ্তুগালৰ বিদেশ মন্ত্ৰীৰ মাজত বৈঠক

অক্টোবৰ 14, 2020

ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে তেখেতৰ সমকক্ষ পৰ্তুগালৰ বিদেশ মন্ত্ৰী শ্ৰী আগষ্ট' ছাণ্টোছ ছিল্ভাৰ সৈতে 14 অক্টোবৰ 2020 তাৰিখে এক ভাৰ্চুৱেল বৈঠকত মিলিত হয়। দুয়োগৰাকী নেতাই কভিড-19 মহামাৰীৰ সময়ত দুয়োখন দেশৰ মাজত ব্যাপক সহযোগিতা আৰু কভিডৰ পৰৱৰ্তী দৃশ্যপটত সহযোগিতাৰ সম্ভাৱনা সহ দ্বিপাক্ষিক সম্পৰ্কৰ সন্দৰ্ভত বিশদভাৱে পৰ্যালোচনা কৰে। দুয়োগৰকী মন্ত্ৰীয়ে যোৱা কিছু বছৰত উচ্চ-স্তৰীয় প্ৰতিনিধিসকলৰ যাত্ৰাত সঘনাই হোৱা আদান-প্ৰদানৰ জৰিয়তে দ্বিপাক্ষিক সম্পৰ্কৰ উৰ্দ্ধমূখী গতিৰ প্ৰশংসা কৰে। বিশেষকৈ প্ৰব্ৰজন আৰু গতিশীলতা অংশীদাৰিত্ব, প্ৰতিৰক্ষা সহযোগিতা, আৰু অৰ্থনৈতিক সম্পৰ্কক আৰু দৃঢ় কৰাৰ দৰে সহযোগিতাৰ ন ন ক্ষেত্ৰসমূহত সম্বন্ধক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত তেওঁলোকে সহমত পোষণ কৰে। নেতা দুগৰাকীয়ে ভাৰত- ইউৰোপীয় সংঘৰ সম্পৰ্কসমূহৰ সন্দৰ্ভত আলোচনা কৰে আৰু 2021ত পৰ্তুগালৰ অধ্যক্ষতাত পৰৱৰ্তী ভাৰত-ইউৰোপীয় সংঘৰ 27 গৰাকী নেতাৰ বৈঠকত একলগ হৈ কাম কৰাৰ ক্ষেত্ৰত সন্মতি জনোৱাৰ লগতে প্ৰধানমন্ত্ৰী এন্টনিঅ' কষ্টাই ইতিমধ্যেই প্ৰধানমন্ত্ৰী মোডীলৈ নিমন্ত্ৰণী প্ৰেৰণ কৰিছে। তেওঁলোকে সংশোধিত বহুপক্ষবাদৰ প্ৰতিশ্ৰুতিক পুনৰাই ব্যক্ত কৰিছে আৰু 2021ত ৰাষ্ট্ৰসংঘৰ সুৰক্ষা পৰিষদত ভাৰতৰ উপস্থিতি সন্দৰ্ভত আঞ্চলিক আৰু বৈশ্বিক বিষয়সমূহত ঘনিষ্ঠ যোগাযোগ আৰু সমন্বয় বজাই ৰাখাৰ ক্ষেত্ৰত সহমত পোষণ কৰে।

**নতুন দিল্লী**
**অক্টোবৰ 14, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.